**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-01-2025 **Time :** 1910 Hrs.

## *Assamese Evening Bulletin*

## ***HEADLINES***

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে অষ্টাদশ প্ৰবাসী ভাৰতীয় দিৱস সন্মিলনৰ সামৰণি অনুষ্ঠানত ভাষণ দিয়ে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সকলো চৰকাৰী আঁচনি সামাজিক ন্যায় আৰু ধৰ্মনিৰপেক্ষতাৰ প্ৰকৃত ৰূপ বুলি অভিহিত কৰি আঁচনিসমূহৰ সফল ৰূপায়ণত গুৰুত্ব আৰোপ কৰে।

৩। কেন্দ্ৰীয় চৰকাৰে দেশৰ প্ৰতিৰক্ষা উৎপাদনৰ ক্ষেত্ৰখন অধিক প্ৰসাৰিত কৰাৰ বাবে বৃহৎ পৰিসৰৰ সংস্কাৰ কাৰ্যসূচী গ্ৰহণ কৰিছে।

৪। উদ্যোগ আৰু আভ্যন্তৰীণ বাণিজ্য বিভাগৰ সচিব অমৰদীপ সিং ভাটিয়াই দেশত ষ্টাৰ্টআপ খণ্ডৰ দ্ৰুত বিকাশ হৈছে বুলি মন্তব্য কৰে।

**আৰু**

৫। ৰাজকোটত অনুষ্ঠিত মহিলা ক্ৰিকেটৰ এদিনীয়া শৃংখলাৰ প্ৰথমখন খেলত আজি ভাৰতে আয়াৰলেণ্ডৰ বিৰুদ্ধে ৬ উইকেটত জয়লাভ কৰে।

oooooooo

ভূৱনেশ্বৰৰ জনতা ময়দানত অনুষ্ঠিত অষ্টাদশ প্ৰবাসী ভাৰতীয় দিৱস সন্মিলনৰ সামৰণি অনুষ্ঠানত আজি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ভাষণ দিয়ে। ইয়াৰ পূৰ্বে ৰাষ্ট্ৰপতিগৰাকীয়ে ভাৰতীয় প্ৰব্ৰজনকাৰী সদস্যসকলক বিভিন্ন ক্ষেত্ৰত উৎকৃষ্টতাৰ বাবে ভাৰতীয় প্ৰবাসী সন্মান প্ৰদান কৰে। অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী ড০ এছ জয়শংকৰ, জুৱেল অ'ৰাম, ধৰ্মেন্দ্ৰ প্ৰধান, ওড়িশাৰ ৰাজ্যপাল হৰিবাবু কামভামপটি, মুখ্যমন্ত্ৰী মোহন চন্দ্ৰ মাঝিকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। ৰাষ্ট্ৰপতি মুৰ্মুৱে ইয়াৰ আগতে ওড়িশাৰ হস্ততাঁত শিল্পৰ লগতে অন্যান্য পৰম্পৰাগত শিল্পকলাৰ প্ৰদৰ্শন কৰা ওড়িশা পেভিলিয়ন পৰিদৰ্শন কৰে।

ooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ২০৪৭ চনত বিকশিত ভাৰতৰ বাবে সকলো সমস্যাৰ সমাধান হোৱাটো বিচাৰে। তেওঁ সকলো চৰকাৰী আঁচনি সামাজিক ন্যায় আৰু ধৰ্মনিৰপেক্ষতাৰ প্ৰকৃত ৰূপ বুলি অভিহিত কৰি আঁচনিসমূহৰ ১০০ শতাংশ ৰূপায়ণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। উদ্যোগী নিখিল কামাথৰ সৈতে হোৱা এটা সাক্ষাৎকাৰত প্ৰধানমন্ত্ৰীগৰাকীয়ে এইদৰে কয়। তেওঁ কয় যে মানুহ হিচাপে তেখেতৰ ভুল হ'ব পাৰে, কিন্তু তেখেতে কেতিয়াও অসৎ উদ্দেশ্যৰে ভুল নকৰে। ৰাজনীতিত সফল হ'বলৈ হ'লে নিষ্ঠা আৰু দায়বদ্ধতা থাকিব লাগিব বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শ্ৰীমোদীয়ে বিশ্বাস কৰে যে ৰাজনীতিলৈ ভাল মানুহৰ আগমন হোৱা উচিত। প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে এজন ভাল ৰাজনীতিবিদ এজন ভাল যোগাযোগকাৰীও হ'ব লাগে। তেওঁ লক্ষ্য কৰে যে নীতি নিৰ্দ্ধাৰণৰ লগত জড়িত ব্যক্তিয়ে বৃহৎ পৰিৱৰ্তন

আনিব পাৰে, যিটো চৰকাৰী ব্যৱস্থাত থকাৰ আটাইতকৈ ডাঙৰ সুবিধা। বৰ্তমানৰ সময়ত সামাজিক মাধ্যমৰ ভূমিকা সন্দৰ্ভত আলোকপাত কৰি শ্ৰীমোদীয়ে কয় যে ই গণতন্ত্ৰৰ এটা গুৰুত্বপূৰ্ণ আহিলা আৰু ইয়াৰ দ্বাৰা গণতন্ত্ৰক শক্তিশালী কৰিব পৰা যায়। প্ৰধানমন্ত্ৰীয়ে লগতে কয় যে যুৱক-যুৱতী, ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন বিষয়ত সামাজিক মাধ্যমৰ পৰা তথ্য লাভ কৰি উপকৃত হৈছে। সাম্প্ৰতিক বিশ্বৰ প্ৰত্যাহ্বান সন্দৰ্ভত সোধা এটা প্ৰশ্নৰ উত্তৰত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে বিশ্বই ভাৰতক বিশ্বাস কৰে, কাৰণ ভাৰতৰ স্থিতি সদায় সবল আৰু সুস্থিৰ। তেওঁ লগতে কয় যে বৰ্তমান বিশ্বৰ বিভিন্ন সংকটত নতুন দিল্লীয়ে শান্তিৰ পক্ষত থকা বুলি বাৰে বাৰে কৈ আহিছে।

0000000

কেন্দ্ৰীয় চৰকাৰে দেশৰ প্ৰতিৰক্ষা উৎপাদনৰ ক্ষেত্ৰক অধিক প্ৰসাৰিত কৰাৰ বাবে বৃহৎ পৰিসৰৰ সংস্কাৰ কাৰ্যসূচী গ্ৰহণ কৰিছে। এৰো ইণ্ডিয়া ২০২৫ৰ পূৰ্বে নতুন দিল্লীত অনুষ্ঠিত ৰাষ্ট্ৰদূতসকলৰ ঘূৰণীয়া মেজমেলত অংশগ্ৰহণ কৰি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি এই কথা প্ৰকাশ কৰে। তেওঁ দৃঢ়তাৰে কয় যে প্ৰতিৰক্ষা ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতা আৰু প্ৰযুক্তিগত সহযোগিতা শক্তিশালী কৰাৰ বাবে এই সংস্কাৰ প্ৰক্ৰিয়াৰ অতি গুৰুত্বপূৰ্ণ ভূমিকা আছে। মহাকাশ খণ্ড আৰু অত্যাধুনিক প্ৰযুক্তিৰ সফল বিকাশত ভাৰতৰ গুৰুত্বৰ বিষয়ে উল্লেখ কৰি মন্ত্ৰী সিঙে কয় যে ভাৰত বৰ্তমান চতুৰ্থ প্ৰজন্মৰ যুঁজাৰু বিমান, পাৰমানবিক চাবমেৰিণ, মুখ্য যুদ্ধ টেংক আৰু আন্তঃমহাদেশীয় বেলিষ্টিক ক্ষেপনাস্ত্ৰ উৎপাদন কৰিব পৰা বিশ্বৰ নিৰ্বাচিত কেইখনমান দেশৰ মাজত স্থান লাভ কৰিছে। ফ্ৰান্সৰ বিমান নিৰ্মাণ সংস্থা এয়াৰবাছৰ সহযোগত ভাৰতত চি-২৯৫ বিমান নিৰ্মাণ প্ৰতিৰক্ষাৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ এটা উৎকৃষ্ট নিদৰ্শন বুলি প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। ভাৰতীয় মহাকাশ আৰু প্ৰতিৰক্ষা খণ্ডই নতুন উদ্যোগ আৰু অংশীদাৰিত্ব বিচৰা বিদেশী কোম্পানীসমূহৰ বাবে প্ৰভূত সুযোগ আনি দিছে বুলিও প্ৰতিৰক্ষা মন্ত্ৰী সিঙে প্ৰকাশ কৰে।

0000000

কেন্দ্ৰীয় কয়লা মন্ত্ৰী জি কিষাণ ৰেড্ডীয়ে আজি ৰাঁচীৰ কাংকেত চিচিএলৰ ছুপাৰ স্পেচিয়েলিটী হাস্পতালৰ আধাৰশিলা স্থাপন কৰে। দুদিনীয়া সূচীৰে ঝাৰখণ্ড ভ্ৰমণলৈ যোৱা ৰেড্ডীৰ এই ভ্ৰমণৰ আজি শেষৰটো দিন। আধাৰশিলা স্থাপন অনুষ্ঠানত শ্ৰীৰেড্ডীয়ে কয় যে ২০০খন বিছনাযুক্ত হাস্পতালখনৰ নিৰ্মাণ সম্পূৰ্ণ হ'লে, ই অঞ্চলটোৰ স্বাস্থ্য খণ্ডত মাইলৰ খুঁটি ৰূপে পৰিগণিত হ'ব। ইয়াৰ পাছত মন্ত্ৰী শ্ৰীৰেড্ডীয়ে ভাৰতীয় কয়লা পৰিচালনা সংস্থাৰ প্ৰশিক্ষণৰত বিষয়াবৰ্গৰ সৈতে কথা-বতৰাত মিলিত হয়।

এই ভ্ৰমণ কালতে মন্ত্ৰীগৰাকীয়ে কালি নিশা ৰাজ্যখনৰ মুখ্যমন্ত্ৰী হেমন্ত চোৰেণ আৰু ক'ল ইণ্ডিয়াৰ অধ্যক্ষ পি এম প্ৰসাদৰ লগতে জ্যেষ্ঠ বিষয়াবৰ্গক সাক্ষাৎ কৰে। ঝাৰখণ্ডৰ জনসাধাৰণৰ কল্যাণৰ বাবে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে একেলগে কাম কৰি যাব বুলিও মন্ত্ৰী শ্ৰীৰেড্ডীয়ে প্ৰকাশ কৰে।

0000000

উদ্যোগ আৰু আভ্যন্তৰীণ বাণিজ্য বিভাগৰ সচিব অমৰদীপ সিং ভাটিয়াই আজি কয় যে দেশত ষ্টাৰ্টআপ খণ্ডৰ দ্ৰুত বিকাশ হৈছে। বিগত ৯ বছৰত বিভাগৰ অধীনত ১ কোটি ৫ লাখ ষ্টাৰ্ট আপ পঞ্জীয়ন হৈছে। নতুন দিল্লীত সংবাদ মাধ্যমৰ সৈতে হোৱা কথোপকথনত সচিবগৰাকীয়ে কয় যে ২০১৬ চনত ষ্টাৰ্ট আপ নীতি থকা মাত্ৰ ৪খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ পৰা এই সংখ্যা বৰ্তমান ৩১লৈ বৃদ্ধি পাইছে। দেশৰ ৭৭৯খন জিলাৰ টু-টায়াৰ আৰু থ্ৰী-টায়াৰ চহৰসমূহ ষ্টাৰ্টআপৰ মূল মঞ্চ হৈ পৰিছে। বীজ পুঁজি

আঁচনি, পুঁজিৰ পুঁজি আঁচনি আৰু ঋণ নিশ্চয়তা আঁচনিৰ আলোকপাত কৰি তেওঁ কয় যে এই আঁচনিসমূহৰ সফলতা অন্যান্য বিভাগৰ বাবে আৰ্হি হ'ব।

০০০০০০০

উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত মহাকুম্ভ ২০২৫ৰ বাবে আকাশবাণীৰ কুম্ভবাণী চেনেল আজি মুকলি কৰা হৈছে। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে এই চেনেলটো মুকলি কৰে। অনুষ্ঠানত ভাষণ দি মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে কুম্ভবাণীয়ে জনপ্ৰিয়তাৰ  নতুন শিখৰ লাভ কৰাই নহয়, বৰং অতি পিছপৰা গাঁও সমূহতো মহাকুম্ভৰ ভাৱনাক বিয়পাই দিবলৈ সক্ষম হ'ব বুলি বিশ্বাস ব্যক্ত কৰে। আকাশবাণী হৈছে জনসাধাৰণক থলুৱা পৰম্পৰা আৰু সংস্কৃতিৰ সৈতে সংযোজিত কৰাৰ প্ৰথম মাধ্যম বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে আকাশবাণীৰ সৈতে তেওঁৰ শৈশৱৰ স্মৃতি ৰোমন্থন কৰে। এই অনুষ্ঠানতে কুম্ভ মংগল ধ্বনি মুকলি কৰা হয়। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ৰাজ্য মন্ত্ৰী ড০ এল মুৰুগানে অনুষ্ঠানত ভাৰ্চুৱেল ব্যৱস্থাৰে অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰীগৰাকীক এই ৰেডিঅ' চেনেলৰ বাবে শুভেচ্ছা জনায়। অনুষ্ঠানত প্ৰচাৰ ভাৰতীৰ মুখ্য কাৰ্যবাহী বিষয়া গৌৰৱ দিবেদী, আকাশবাণীৰ সঞ্চালক প্ৰধান ড০ প্ৰজ্ঞা পালিৱাল গৌড়, দূৰদৰ্শনৰ সঞ্চালক প্ৰধান কাঞ্চন প্ৰসাদ, দূৰদৰ্শনৰ বাতৰি বিভাগৰ সঞ্চালক প্ৰধান প্ৰিয়া কুমাৰকে ধৰি কেইবাগৰাকী শীৰ্ষ বিষয়া উপস্থিত থাকে।

০০০০০০০

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ দপ্তৰৰ ৰাজ্যমন্ত্ৰী অনুপ্ৰিয়া পেটেলে আজি কয় যে বিভিন্ন দেশৰ ভালেসংখ্যক লোক হিন্দী ভাষা শিকিবলৈ আগ্ৰহী হৈছে। নতুন দিল্লীত অনুষ্ঠিত বিশ্ব হিন্দী দিৱসৰ অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে কয় যে হিন্দী কেৱল এটা ভাষা নহয়, বৰং দেশৰ জনসাধাৰণক ই একতাৰ দোলেৰে বান্ধি ৰাখিছে। তথ্যৰ যথোপযুক্ত প্ৰচাৰৰ ক্ষেত্ৰত চৰকাৰী পৰ্যায়ত হিন্দী ভাষা বহুল ব্যৱহাৰ কৰা বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০

জম্মু-কাশ্মীৰৰ মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাই আজি জম্মুৰ অসামৰিক সচিবালয়ত জম্মু আৰু কাশ্মীৰৰ তথ্য আৰু অধিকাৰ অনলাইন পোৰ্টেল মুকলি কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে এই পদক্ষেপে তথ্য জনাৰ অধিকাৰ আইনৰ অধীনত চৰকাৰী তথ্যসমূহ জনসাধাৰণে কম খৰচতে স্বচ্ছ আৰু দ্ৰুতগতিত লাভ কৰিবলৈ সমৰ্থ হ'ব। এই আইনৰ লাভৰ বিষয়ে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে চৰকাৰৰ এই পদক্ষেপৰ বিষয়ে সংশ্লিষ্ট কৰ্তৃপক্ষক ব্যাপক প্ৰচাৰৰ নিৰ্দেশ দিয়ে।

০০০০০০০

ভাৰতীয় মহাকাশ গৱেষণা সংস্থাৰ অধ্যক্ষ এছ সোমনাথে কয় যে অতি সোনকালে মহাকাশ কেন্দ্ৰ স্থাপনৰ সিদ্ধান্ত লোৱা হ'ব। আকাশবাণীৰ সৈতে হোৱা এটা সাক্ষাৎকাৰত তেওঁ কয় যে ভাৰতৰ কৃত্ৰিম উপগ্ৰহবোৰ সুৰক্ষিত আৰু অতি সোনকালেই উৎক্ষেপনৰ সময় নিৰ্দ্ধাৰণ কৰা হ'ব। তেওঁ জনায় যে জানুৱাৰীৰ শেষৰ ফালে ইছৰোৰ দ্বাৰা ১০০ সংখ্যক উপগ্ৰহ উৎক্ষেপন কৰা হ'ব।

০০০০০০০

ৰাজকোটত অনুষ্ঠিত মহিলা ক্ৰিকেটৰ এদিনীয়া শৃংখলাৰ প্ৰথমখন খেলত আজি ভাৰতে আয়ৰলেণ্ডৰ বিৰুদ্ধে ৬ উইকেটত জয়লাভ কৰে। ভাৰতে ২৩৯ ৰাণৰ লক্ষ্য অনুসৰণ কৰি ৩৪ অভাৰ ৩টা বলত চাৰিটা উইকেট হেৰুৱাই বিজয় সাব্যস্ত কৰে। ভাৰতৰ হৈ প্ৰতীকা ৰাৱালে সৰ্বাধিক ৮৯ ৰাণ কৰে।

ইয়াৰ পূৰ্বে আয়ৰলেণ্ডে টছক জিকি প্ৰথমে বেট ধৰিবলৈ লৈ নিৰ্দ্ধাৰিত ৫০ অভাৰ সাতটা উইকেট হেৰুৱাই ২৩৮ ৰাণ কৰে। শৃংখলাটোৰ দ্বিতীয়খন খেল দেওবাৰে এই একেই ষ্টেডিয়ামতে অনুষ্ঠিত হ'ব।

০০০০০০০

ওড়িশাৰ ৰুৰকেলাত অনুষ্ঠিত হৈ থকা পুৰুষৰ হকী ইণ্ডিয়া লীগত আজি তামিলনাডু ড্ৰেগনছে শ্ৰাচি ৰাঢ় বেংগল টাইগাৰ্চৰ বিৰুদ্ধে মুখামুখি হব। খেলখন নিশা ৮ বাজি ১৫ মিনিটত আৰম্ভ হব।

কালি বীৰছা মুণ্ডা হকী ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত বেদান্ত কলিংগা লেন্সাৰ্ছে গ'নাছিকাক ২-১ গ'লত পৰাস্ত কৰে। এই জয়ৰ জৰিয়তে লেন্সাৰছে ৭ পইণ্টেৰে পইণ্ট তালিকাৰ তৃতীয় স্থানলৈ উন্নীত হোৱাৰ বিপৰীতে গ'নাছিকাই চাৰি পইণ্টেৰে সপ্তম স্থানত আছে।

০০০০০০০

সমাপ্ত